দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিনিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৩১ ● দেওবাৰ ● ১৯ বহাগ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday May 3, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশি

আছিল- মহিলা চাহ শ্ৰমিকসকলৰ শিক্ষা, স্বাস্থ্য আৰু স্বচ্ছতা সম্পৰ্কত সজাগতা বৃদ্ধি। মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ কাৰ্যক্ৰম বিষয়া সহকাৰী অধ্যাপিকা মনীষা কোঁৱৰৰ নেতৃত্বত মহাবিদ্যালয়ৰ ২১ জনীয়া স্বেচ্ছাসেৱকৰ দল এটিয়ে ২৭এপ্ৰিলত বাগিচাখনৰ মহিলা শ্ৰমিকসকলক প্ৰত্যক্ষভাৱে লগ কৰি সামাজিক-শৈক্ষিক-স্বাস্থ্য আৰু স্বচ্ছতা বিষয়ত ক্ষেত্ৰ জৰীপ কৰে। এই জৰীপৰ জৰিয়তে চাহ বাগানৰ মহিলাসকলৰ সামাজিক সমস্যা বিশেষকৈ চাহ শ্ৰমিকৰ মাজত প্ৰচলিত অত্যধিক সুৰাপান, চাহ বাগিচাৰ একাংশ শ্ৰমিক সন্তানৰ আধাতে আনুষ্ঠানিক শিক্ষা সমাপ্ত, মহিলাসকলৰ স্বাস্থ্যৰ যতন লোৱাৰ উপৰি আৱাসিক অঞ্চলৰ স্বচ্ছতা সম্পৰ্কে বুজ লোৱা হয়। শিবিৰৰ দ্বিতীয় দিনা বিহিয়াটিং চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষণ প্ৰক্ৰিয়াত সক্ৰিয় মনোযোগ আৰু আকৰ্ষণ বৃদ্ধি কৰিবৰ বাবে হাতৰ আখৰ আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। তৃতীয় দিনা স্বেচ্ছাসেৱকসকলে কন্যা সন্তানৰ শিক্ষাৰ প্ৰয়োজনীয়তাক লৈ বাগানৰ লাইনে লাইনে শোভাযাত্ৰা আৰু মত-বিনিময় কৰে। শিবিৰত

## কানৈ মহাবিদ্যালয়ত কেৰিয়াৰ কাউঞ্চেলিং



**ডিব্ৰুগড়, ষ্টাফ ৰিপ'ৰ্টাৰ, ২ মে' ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত) আজি হিন্দী বিষয়ক কেৰিয়াৰ কাউঞ্চেলিং কাৰ্যসূচী অনুষ্ঠিত হয়। ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ (বি চি পি এল) উদ্যোগত, কানৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগ আৰু আই চি জি পি চিৰ সহযোগত আয়োজিত অনুষ্ঠানটোত ইউনিয়ন বেংক অব্ ইণ্ডিয়া আৰু কেন্দ্ৰীয় বিদ্যালয়, ডিব্ৰুগড়েও সহযোগ আগবঢ়ায়। অনুষ্ঠানটো সঞ্চালনা কৰে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ হিন্দী বিষয়া মৃগাক্ষী শৰ্মাই। উদ্বোধনী ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে স্নাতক স্তৰত হিন্দী বিষয়ৰ গুৰুত্বৰ সম্পৰ্কত আলোকপাত কৰি আধুনিক ভাৰতীয় ভাষা ব্যৱস্থাৰ সৈতে জড়িত কিছুমান সমস্যাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ প্ৰবন্ধক (ৰাজভাষা) বিক্ৰান্ত কুমাৰ, ইউনিয়ন বেংক অব্ ইণ্ডিয়াৰ মুখ্য প্ৰবন্ধক সৌম্য ৰঞ্জন বিচৱাল, শিক্ষক ওম প্ৰকাশ, অধ্যাপিকা ড° লখিমা দেউৰী, বি চি পি এলৰ মুখ্য প্ৰবন্ধক (নিৰাপত্তা) মৃণাল ঠাকুৰে কেৰিয়াৰ কাউঞ্চেলিঙৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, হিন্দী আৰু অন্যান্য বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে কেন্দ্ৰীয় বিদ্যালয়, ডিব্ৰুগড়ৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মত-বিনিময় কাৰ্যসূচীও অনুষ্ঠিত হয়।

বিশফুটায়া, বৰজান আৰু ম
শতাধিক লোকৰ উপস্থিতি
প্ৰাংগণত মুচলিন্দ বুদ্ধ প্ৰতি
প্ৰতিমা উন্মোচন কৰে উপস্থি
পূৰ্বে পুৱা প্ৰায় ছয় বজাত
আৰু আৰ্য মিত্ৰ বুদ্ধবিহাৰ
উপস্থিতিত বিশ্বশান্তিৰ বা
কাৰ্যসমূহ সম্পন্ন কৰা হয়।
পতাকা উত্তোলন আৰু ৰাই
বুদ্ধ পূজা কৰে। দুপৰীয়ালৈ
মাজত চিত্ৰাংকণ, মুকলি কুই
প্ৰতিযোগিতাৰ লগতে
মনোৰঞ্জনমূলক বিভিন্ন খেল-
মিত্ৰ বুদ্ধ বিহাৰ পৰিচালনা
দয়াল বৰুৱাই আঁতধৰা
অনুষ্ঠানটোত ফেডাৰেশ্যন
সম্পাদক প্ৰধান শিবু তালুক
দাতা পৰিয়ালৰ ৰাজকুমাৰ
আদিৰ লগতে সোণাৰি, তিনি
ৰূপাই, মাকুম আদিৰ পৰাও

## নামৰূপত

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ,
সেৱাবাহিনীৰ উদ্যোগত ডিব্ৰু
বহাগী উৎসৱ নামৰূপ সাৰন
আৰু ১০ মে'ত অনুষ্ঠিত হ